# ASSAM
# LEGISLATIVE ASSEMBLY
# DEBATES

## OFFICIAL REPORT

### THIRD SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE ELEVENTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

BUDGET SESSION

NO. 2

The 4th March, 2002

Price Rs. 5.50

# CONTENTS

## SEPTEMBER SESSION

No. 2

Dated, the 4th March, 2002.

Page


| | | |
|---|---|---|
| 1. | Report of the Business Advisory committee. | 1 |
| 2. | Obituary References. | 2 |
| 3. | Adjournment. | 4 |

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

Monday, the 4th March, 2002

The House met at 9 A.M. of the Clock in the Assembly Chamber at Dispur with Shri. Prithibi Majhi, Speaker in the Chair.

## REPORT OF THE BUSINESS ADVISORY COMMITTEE

মাননীয় অধ্যক্ষ ঃ মই অতি দুখেৰে জনাবলগীয়া হৈছো যে, লোকসভাৰ অধ্যক্ষ জি-এম-ছি বালযোগীৰ কালি ৩মাৰ্চ তাৰিখে অকাল মৃত্যুৰ বাতৰি পোৱাৰ লগে লগে আবেলি ৪ বজাত অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ ২৩০ নং বিধি অনুযায়ী বিধান সভাৰ কাৰ্য্য উপদেষ্টা সমিতিৰ এখন জৰুৰী বৈঠক অনুষ্ঠিত কৰা হয়। কাৰ্য্য উপদেষ্টা সমিতিয়ে আলোচনামৰ্মে আজি ৪ মাৰ্চ তাৰিখৰ অসম বিধান সভাৰ সদনৰ নিৰ্দ্ধাৰিত কাৰ্য্যক্ৰমনিকা বাতিল কৰি লোকসভাৰ অধ্যক্ষ জি-এম-ছি বালযোগীৰ মৃত্যুত শোক প্ৰকাশ কৰি সদনৰ দিনটোৰ বাকী কাৰ্য্যসূচী পৰৱৰ্তী দিনলৈ স্থগিত ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰে। উক্ত মৰ্মে আজি ৪ মাৰ্চৰ বাকী কাৰ্য্যসূচী যেনে ২০০১-২০০২ চনৰ মঞ্জুৰীৰ বাবে পৰিপূৰক দাবী আৰু পৰিপূৰক বিনিয়োজন সমূহৰ তালিকা উপস্থাপন, চৰকাৰী বিধেয়ক সংকল্প প্ৰস্তাৱ সমূহৰ উপস্থাপন ৫ মাৰ্চ তাৰিখে সেইদিনাৰ বাবে নিৰ্দ্ধাৰিত কাৰ্য্যসূচীৰ ওপৰঞ্চি হিচাপে লোৱা হব।

উপদেষ্টা সমিতিৰ সভাই আজি ৪ মাৰ্চ তাৰিখৰ ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদসূচক প্ৰস্তাৱৰ সম্পৰ্কত বিতৰ্কৰ কাৰ্য্যসূচী লগতে অন্যান্য কাৰ্য্যসূচীও বাতিল কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে।

তদুপৰি সদনৰ কাৰ্য্য উপদেষ্টা সমিতিয়ে ৮ মাৰ্চ তাৰিখে অসম বিধান সভাৰ সদনৰ নিৰ্দ্ধাৰিত কাৰ্য্যসূচী সম্পন্ন হোৱাৰ অন্তত আবেলি ৩-৩০ বজাৰ পৰা সন্ধিয়া ৫ বজালৈ সদন পুনৰ অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে।

উক্ত দিনা আবেলি ৩-৩০ বজাৰ পৰা ৪-৩০ বজালৈ অধিবেশনৰ কালছোৱাত ৪ মাৰ্চ তাৰিখৰ বাবে নিৰ্দ্ধাৰিত প্ৰশ্ন সমূহ লোৱা হব। আবেলি ৪-৩০ বজাৰ পৰা সন্ধিয়া ৫ বজালৈ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ৰাজ্যপালৰ ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱৰ ওপৰত হোৱা বিতৰ্কৰ উত্তৰ প্ৰদান কৰিব।

মই আশা কৰো এই সাল-সলনি তথা বিধান সভাৰ কাৰ্য্য উপদেষ্টা সমিতিৰ সিদ্ধান্ত সমূহৰ প্ৰতি মাননীয় সদনৰ অনুমোদন আছে।

## OBITUARY REFERENCES

এতিয়া মৃত্যু প্ৰসঙ্গ।

অসম বিধান সভাৰ বৰ্তমানৰ বাজেট অধিবেশন চলি থকাৰ কালছোৱাতে কালি ৩ মাৰ্চ তাৰিখে পুৰা ত্ৰয়োদশ লোকসভাৰ মাননীয় অধ্যক্ষ গন্টি মোহনা চন্দ্ৰ বালযোগীৰ তেখেতৰ নিজাৰাজ্য অন্ধ্ৰপ্ৰদেশৰ কৃষ্ণাজিলাৰ কাইকালুৰৰ ওচৰত হেলিকপ্টাৰ দুৰ্ঘটনা হৈ অকাল মৃত্যু ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স হৈছিল ৫০ বছৰ ৫ মাহ ২ দিন। গভীৰ দুখ আৰু ব্যথিত হৃদয়েৰে এই পবিত্ৰ সদনত তেখেতৰ বিয়োগত শোক প্ৰকাশ কৰিবলৈ লোৱা হৈছে। ১৯৫১ চনৰ ১ অক্টোবৰত অন্ধ্ৰপ্ৰদেশৰ পূৱ গোদাৱৰী জিলাৰ য়েদুৰুলংকা নামে ঠাইত জন্ম লাভ কৰা জি-এম-ছি বালযোগী ডাঙৰীয়াই মৃত্যুৰ সময়ত তেখেতৰ পত্নী শ্ৰীমতী বিজয়াকুমাৰী গন্টি প্ৰমূখ্যে এগৰাকী পুত্ৰ আৰু তিনি গৰাকী কন্যা এৰি থৈ গৈছে। বিশাখাপট্টনম আৰু অন্ধ্ৰ বিশ্ববিদ্যালয়ৰ পৰা তেখেতে স্নাতকোত্তৰ আৰু আইনৰ ডিগ্ৰী অৰ্জন কৰিছিল। এগৰাকী আইনজীৱী, ৰাজনৈতিক তথা সমাজকৰ্মী, ক্ৰীড়াবিদ, খেতিয়ক আৰু ট্ৰেড ইউনিয়নৰ আগশাৰীৰ কৰ্মকৰ্তা হিচাপে প্ৰতিষ্ঠা লাভ কৰা বালযোগী ডাঙৰীয়াই ১৯৮৭-৯১ চনত পূৱ গোদাৱৰী জিলাৰ জিলা পৰিষদৰ সভাপতি হিচাপে কাৰ্য্য নিৰ্বাহ কৰে। ১৯৯১ চনত তেলেগু দেশম দলৰ সদস্য হিচাপে লোক সভালৈ প্ৰথম বাৰৰ বাবে সদস্য হিচাপে নিৰ্বাচিত হয়। ১৯৯৬ চনৰ পৰা ১৯৯৮ চনলৈ অন্ধ্ৰপ্ৰদেশ বিধান সভালৈ সদস্য নিৰ্বাচিত হৈ উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী হিচাপে কাৰ্য্য নিৰ্বাহ কৰে। ১৯৯৮ চনত পুনৰ লোকসভাৰ সদস্য হিচাপে নিৰ্বাচিত হয়। ১৯৯৮ চনৰ ২৪ মাৰ্চ তাৰিখে তেখেত লোকসভাৰ অধ্যক্ষ নিৰ্বাচিত হয়। ১৯৯৯ চনত তেখেত তৃতীয় বাৰৰ বাবে ত্ৰয়োদশ লোকসভাৰ সদস্য নিৰ্বাচিত হয়। ১৯৯৯ চনৰ ২২ অক্টোবৰত লোকসভাৰ অধ্যক্ষ হিচাপে তেখেত দ্বিতীয় বাৰলৈ নিৰ্বাচিত হয়। লোকসভাৰ অধ্যক্ষ হিচাপে বালযোগী ডাঙৰীয়াই বিজিনেছ এডভাইছৰী কমিটী, ৰুলছ কমিটী, জেনেৰেল পাৰপজ কমিটী, দেশৰ বিধান সভা সমূহৰ অধ্যক্ষ সকলৰ অধিবেশনৰ ষ্টেনদিং কমিটীৰ সভাপতি হিচাপে দক্ষতাৰে কাৰ্য্যনিৰ্বাহ কৰে। তদুপৰি ভাৰতীয় সংসদীয় গোটৰ সভাপতি, কমনৱেলথ পাৰ্লিয়ামেন্টৰী সন্থাৰ ভাৰত শাখাৰ সভাপতি হিচাপেও তেখেত নিজ

ৰাজ্য অন্ধ্রপ্রদেশৰ উপৰিও দেশৰ বিভিন্ন সামাজিক আৰু সাংস্কৃতিক অনুষ্ঠানৰ সৈতেও ওতঃপ্রোতঃ ভাৱে জড়িত আছিল।

দুখীয়া নিচলা সকলৰ সৰ্বতোপ্রকাৰৰ বিকাশৰ বাবে অহোপুৰুষাৰ্থ কৰা-বালযোগী ডাঙৰীয়াই সমবায় আৰু গ্রাম্য বিকাশৰ কামত ওৰে জীৱন আত্মনিয়োগ কৰিছিল। ভাৰতীয় সংসদীয় দলৰ নেতা হিচাপে বিশ্বৰ বিভিন্ন দেশ ভ্রমণৰ অভিজ্ঞতাপুষ্ট জি-এম-ছি বালযোগী ডাঙৰীয়াই বিশ্বৰ সৰ্ববৃহৎ গণতন্ত্র ভাৰতীয় সংসদৰ যশ-কীৰ্তি বৃদ্ধিৰ বাবে কাৰ্য্যপৰিচালনাৰ মানদণ্ড উচ্চৰ পৰা অধিক উচ্চতৰ পৰ্য্যায়লৈ নিবৰ বাবে অহৰহ চেষ্টা কৰি সেইমতে ব্যৱস্থা গ্রহণ কৰিছিল। শেহতীয়াকৈ যোৱা বছৰৰ ২৫ নবেম্বৰত সংসদৰ কেন্দ্রীয় হলত ভাৰতৰ উপ-ৰাষ্ট্রপতি, প্রধানমন্ত্রী, লোকসভা আৰু ৰাজ্য সভাৰ বিৰোধী দলৰ নেতাদ্বয়, কেন্দ্রীয় মন্ত্রী, দেশৰ ৰাজ্যৰ মুখ্যমন্ত্রী আৰু সংসদীয় পৰিক্রমা দপ্তৰৰ মন্ত্রী সকল, ৰাজ্য-বিধান সভাৰ অধ্যক্ষ সকল, বিভিন্ন ৰাজ্যৰ বিধান সভাৰ বিৰোধী দলৰ দলপতি তথা বিধান সভাৰ বিভিন্ন ৰাজনৈতিক গোটসমূহ, বিধান পৰিষদ সমূহৰ প্রতিনিধি সকলক লৈ অনুষ্ঠিত কৰা উচ্চপৰ্য্যায়ৰ সভাত সদন পৰিচালনাৰ ক্ষেত্রত নীতি নিয়মৰ বিষয়ে বিতংকৈ আলোচনা কৰি এক বলীষ্ঠ ভূমিকা গ্রহণ কৰিছিল। উক্ত উচ্চ পৰ্য্যায়ৰ দৃঢ় আৰু সাহসী পদক্ষেপৰ ফলশ্রুতিৰূপেই সংসদকে ধৰি দেশৰ ৰাজ্য বিধান সভা সমূহৰ সদন পৰিচালনাৰ ক্ষেত্রত শেহতীয়াকৈ এক নতুনত্ব আনিবলৈ সক্ষম হৈছিল।

নিৰহংকাৰী, নিষ্ঠাবান, মৃদুভাষী লোকসভাৰ সকলো ৰাজনৈতিক দলৰ আস্থা লাভ কৰিবলৈ সক্ষম হোৱা এই গৰাকী লোকসভাৰ অধ্যক্ষৰ আকস্মিক তথা অভাৱনীয় বিয়োগ ভাৰতবৰ্ষৰ সংসদীয় গণতন্ত্রৰ বাবে এক পূৰাব নোৱাৰা ক্ষতি। ৰাজ্য বিধান সভা সমূহৰ অধ্যক্ষ সকলৰ অভিভাৱকস্বৰূপ ব্যক্তি জি-এম-ছি বালযোগীৰ অকাল বিয়োগত মৰ্মাহতই নহয় আমি এগৰাকী আমাৰ আপোন হিতৈষী মহান ব্যক্তিক চিৰদিনলৈ হেৰুৱালো। লোক সভাৰ অধ্যক্ষ গৰাকীৰ লগতে কালি হেলিকপ্টাৰ দুৰ্ঘটনাত মৃত্যু হোৱা অধ্যক্ষ গৰাকীৰ অতিৰিক্ত ব্যক্তিগত সচিব কে-এছ- ৰাজু হেলিকপ্টাৰৰ পাইলট মেনন আৰু দেহৰক্ষী গৰাকীৰ অকাল মৃত্যুও আমাৰ বাবে গুৰুতৰ ক্ষতি।

আজিৰ সদনে জি-এম-ছি বালযোগীৰ লগতে হেলিকপ্টাৰ দুৰ্ঘটনাত মৃত্যু হোৱা কেউগৰাকী ব্যক্তিৰ পবিত্র স্মৃতিত আৰু তেখেত সকলৰ বিদেহী আত্মাৰ

সদ্‌গতি আৰু চিৰশান্তি কামনা কৰি এক মিনিট কাল থিয় হৈ মৌনতা অৱলম্বন কৰিবলৈ মই এই সদনৰ মাননীয় সদস্য সকলৰ প্ৰতি অনুৰোধ জনালোঁ।

(মাননীয় সদস্য সকলে বিদেহী আত্মাৰ সদ্‌গতি আৰু চিৰশান্তি কামনা কৰি এক মিনিট সময় থিয় হৈ মৌনতা অবলম্বন কৰে)

এতিয়া সদন ৫-৩-০২ তাৰিখৰ পুৱা ৯ বজালৈ স্থগিত ৰখা হ'ল।

## ADJOURNMENT

The House then stood adjourned at 9-11A.M. till 9.00 A.M. on Tuesday, the 5th March, 2002.

Dispur :
The 4th March, 2002.

M.K. Sarma
Secretary,
Assam Legislative Assembly.